# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 20-09-2024
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***
***HEADLINES***

- - - - - - - - - - - - - - -

১। পি এম বিশ্বকৰ্মা আঁচনিৰ এবছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজিত অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অংশগ্ৰহণ। অসমতো এই আঁচনিৰ অধীনত প্ৰশিক্ষণ লোৱা প্ৰশিক্ষাৰ্থীক প্ৰমাণপত্ৰ প্ৰদান।

২। কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ এশ দিন সম্পূৰ্ণ হোৱাৰ সৈতে সংগতি ৰাখি দেশৰ মধ্যবিত্ত শ্ৰেণীৰ সবলীকৰণৰ ক্ষেত্ৰত চৰকাৰৰ গুৰুত্ব আৰোপ।

৩। ৰাজ্যত হঠাৎ বৃদ্ধি হোৱা গৰমৰ প্ৰতি লক্ষ্য ৰাখি কেইবাখনো জিলাত বিদ্যালয়সমূহৰ পাঠদানৰ সময়সূচীৰ সালসলনিৰ নিৰ্দেশ। ***আৰু***

৪। বাংগালুৰুৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত ভাৰত আৰু বাংলাদেশৰ মাজৰ খেলৰ দ্বিতীয় ইনিংছৰ দ্বিতীয় দিনা ভাৰতৰ ৩০৮ ৰাণৰ অগ্ৰগতি।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰৰ ৱাৰ্ধাত পি এম বিশ্বকৰ্মা আঁচনিৰ এবছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজিত এটা অনুষ্ঠানত এই আঁচনিৰ হিতাধিকাৰীসকলক প্ৰমাণপত্ৰ প্ৰদান কৰাৰ লগতে ঋণ মোকলাই দিয়ে। প্ৰধানমন্ত্ৰীয়ে প্ৰতিকী ৰূপত ১৮ টা খণ্ডৰ ১৮ গৰাকী হিতাধিকাৰীক এই ঋণ প্ৰদান কৰে। শ্ৰীমোদীয়ে এই আঁচনিৰ লগত সংগতি ৰাখি এটা স্মাৰক ডাক টিকটো মুকলি কৰে।

গুৱাহাটীৰ পাঞ্জাবাৰীৰ বিপনন ক্ষেত্ৰত প্ৰধানমন্ত্ৰীৰ এই অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰৰ ব্যৱস্থা কৰা হয়। গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধীয়ে অংশ লোৱা এই অনুষ্ঠানত ৰাজ্য চৰকাৰৰ বহুকেইজন বিষয়া কৰ্মচাৰীৰ লগতে শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ভাষণ দি সাংসদগৰাকীয়ে কয় যে, পি এম বিশ্বকৰ্মা আঁচনিৰ অধীনত অসমত প্ৰায় ৪০ হাজাৰ যুৱক যুৱতীয়ে প্ৰশিক্ষণ লৈছে আৰু অনাগত দিনত অধিক যুৱক যুৱতীয়ে এই আঁচনিৰ পৰা লাভান্বিত হ'ব। অনুষ্ঠানত এই আঁচনিৰ অধীনত প্ৰশিক্ষণ লোৱা ২৫ গৰাকী প্ৰশিক্ষাৰ্থীক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। নগাওঁ পলিটেকনিকতো এই আঁচনিৰ বৰ্ষপূৰ্তি উপলক্ষে আয়োজন কৰা অনুষ্ঠানত ৰাজ্য চৰকাৰৰ জলসম্পদ আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী পিযুষ হাজৰিকা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত নিজৰ বক্তব্য ৰাখি মন্ত্ৰী হাজৰিকাই কয় যে, সমাজৰ সকলো স্তৰৰ লোকৰ বাবে চৰকাৰে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিয়ে হাত আৰু সজুলীৰে কাম কৰাৰ ১৮ টা ব্যৱসায়ৰ থলুৱা শিল্পী তথা ব্যক্তিসকলক সহায় আগবঢ়ায়। নগাওঁতো আজিৰ কাৰ্যসূচীত প্ৰশিক্ষণ গ্ৰহণ কৰা বহুকেইজন ব্যক্তিক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়।

ooooo

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ এশ দিন সম্পূৰ্ণ হোৱাৰ সৈতে সংগতি ৰাখি দেশৰ মধ্যবিত্ত শ্ৰেণীৰ সবলীকৰণৰ ক্ষেত্ৰত চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে এই প্ৰসংগত কয় যে, আধুনিক আন্তঃগাথনি গঢ়ি তোলাৰ লগে লগে দেশত নিয়োগৰ সুবিধা বৃদ্ধিৰ জৰিয়তে দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ সবলীকৰণ সম্ভৱ হৈছে। চৰকাৰে ২৮ হাজাৰতকৈ অধিক টকা বিনিয়োগেৰে দেশত ১২ টা ঔদ্যোগিক ব্যৱস্থা স্থাপনৰ যোগেদি বিশ্বমানৰ উৎপাদন কেন্দ্ৰ গঢ়ি তুলিছে। যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ ক্ষেত্ৰত পুণে, থানে আৰু বাংগালুৰুত মুঠ ৩০ হাজাৰ ৭০০ কোটি টকা ব্যয়সাপেক্ষ মেট্ৰ' প্ৰকল্প হাতত লোৱা হৈছে। সুবিধাজনক ভ্ৰমণৰ বাবে দিল্লীৰ আই জি আই বিমানবন্দৰত ফাষ্ট ট্ৰেক ইমিগ্ৰেছন ট্ৰাষ্টেড ট্ৰেভেলাৰ প্ৰ'গ্ৰাম আৰম্ভ কৰা হৈছে। ৰাজহুৱা পৰীক্ষা আইন প্ৰৱৰ্তন কৰি স্বচ্ছ নিযুক্তিৰ ব্যৱস্থা কৰা হৈছে। কৰদাতাসকলক উপকৃত কৰাৰ বাবে ৭ লাখ টকা পৰ্যন্ত আয় কৰ মুক্ত কৰাৰ ব্যৱস্থা কৰা হৈছে। আয়কৰ আইনখন সৰল কৰাৰ বাবেও পৰ্যালোচনা আৰম্ভ হৈছে। উমৈহতীয়া পেঞ্চন আঁচনিৰ অধীনত ২৩ লাখ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীক ৫০ শতাংশ পেঞ্চনৰ নিশ্চয়তা প্ৰদান কৰা হৈছে

আৰু অৱসৰপ্ৰাপ্ত প্ৰতিৰক্ষা কৰ্মী তথা তেওঁলোকৰ পৰিয়ালৰ বাবে এক পদবী এক পেঞ্চন আঁচনিৰ সংশোধন কৰা হৈছে। বহিঃৰাষ্ট্ৰৰ প্ৰতিষ্ঠানৰ নিৰ্ভৰতা হ্ৰাস কৰাৰ লগতে স্বাস্থ্য সেৱাৰ আন্তঃগাথনি শক্তিশালী কৰাৰ বাবে ৭৫ হাজাৰ নতুন চিকিৎসা বিজ্ঞানৰ আসন সংযোজন কৰা হৈছে। ৭০ বছৰ বা তাতকৈ অধিক বয়সৰ ব্যক্তিৰ বাবে আয়ুষ্মান ভাৰত আঁচনিৰ যোগেদি প্ৰতি বছৰে ৫ লাখ টকাৰ চিকিৎসা সাহায্য প্ৰদান কৰি থকা হৈছে। মুদ্ৰা ঋণৰ সীমা ১০ লাখৰ পৰা ২০ লাখলৈ বৃদ্ধি কৰি উদ্যোগীকৰণ ত্বৰান্বিত কৰা হৈছে। সোণ আৰু ৰূপৰ ওপৰত সীমাশুল্ক ৬ শতাংশ আৰু প্লেটিনামৰ ওপৰত ৬ দশমিক ৪ শতাংশ হ্ৰাস কৰাৰ ফলত মধ্যবিত্ত শ্ৰেণী সকাহ পোৱা পৰিলক্ষিত হৈছে। পৰিবেশ অনুকুল পৰিবহন ব্যৱস্থা সুনিশ্চিত কৰাৰ বাবে ৩ হাজাৰ ৪শ কোটি টকাৰ পি এম ই বাছ সেৱা ক্ৰয় কৰা হৈছে। প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ যোগেদি নগৰাঞ্চলত এক কোটি গৃহ নিৰ্মাণ কৰা হৈছে। তদুপৰি পি এম সূৰ্যঘৰ বিনামুলীয়া বিজুলী যোজনাৰ অধীনত চাৰে ৩ লাখ বাসগৃহত সৌৰ ব্যৱস্থা স্থাপনৰ ফলত মধ্যবিত্ত শ্ৰেণীৰ সঞ্চয় বৃদ্ধি হৈছে।

ooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিচৰাধীন গোচৰসমূহে ন্যায় প্ৰদান ব্যৱস্থাত অন্তৰায় সৃষ্টি কৰা বুলি প্ৰকাশ কৰিছে। তেওঁ কয় যে, এই গোচৰসমূহৰ বাবে ন্যায় প্ৰদানত বিলম্ব হয়। ৰাজ্যত বিভিন্ন পৰ্যায়ত চাৰে চাৰি লাখতকৈও অধিক গোচৰ বিচাৰাধীন হৈ আছে বুলি তেওঁ সদৰী কৰে। তেওঁ কয় যে ইয়াৰ পৰিপ্ৰেক্ষিতত কম গুৰুত্বপূৰ্ণ গোচৰসমূহ প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰ জৰিয়তে অধিক গুৰুত্বপূৰ্ণ গোচৰসমূহৰ বিচাৰৰ ক্ষেত্ৰত সুচলতা আহি পৰিব বুলি তেওঁ উল্লেখ কৰে।

ooooo

কেন্দ্ৰীয় ড'নাৰ ৰাজ্যমন্ত্ৰী ড০ সুকান্ত মজুমদাৰে আজি গুৱাহাটীৰ ভেষজ শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠান, নাইপাৰত চেণ্ট্ৰেল এনিমেল ফেচিলিটী আৰু ইনভিট্ৰো ড্ৰাগ টেষ্টিং ফেচিলিটী মুকলি কৰে। মন্ত্ৰীগৰাকীয়ে গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান, আই আই টিত কেন্দ্ৰীয় শিক্ষা প্ৰতিষ্ঠানসমূহৰ সৈতে এখন পৰ্যালোচনামূলক বৈঠকত মিলিত হয়। বিয়লি চাৰে তিনি বজাত মন্ত্ৰীগৰাকীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ব্ৰহ্মপুত্ৰ অধ্যয়ন কেন্দ্ৰৰ এটা ভৱন মুকলি কৰে। বান, বহনক্ষম উন্নয়ন তথা সংৰক্ষণৰ দৰে প্ৰত্যাহ্বানসমূহৰ মুখামুখি হোৱাৰ লগতে ব্ৰহ্মপুত্ৰ অৱবাহিকাৰ সামগ্ৰিক ব্যৱস্থাপনাৰ উদ্দেশ্যে আঞ্চলিক সহযোগিতা আৰু নীতি প্ৰণয়নক লাভান্বিত কৰাৰ লক্ষ্য আগত ৰাখি এই কেন্দ্ৰটো স্থাপন কৰা হৈছে। এই কেন্দ্ৰৰ জৰিয়তে ব্ৰহ্মপুত্ৰ নদীৰ গৱেষণাত নতুন মাত্ৰা লাভ কৰিব পৰা যাব বুলি আশা কৰা হৈছে।

ooooo

কৃষি, পশুপালন তথা পশু চিকিৎসা মন্ত্ৰী অতুল বৰাই আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ৱাইব্ৰেণ্ট নৰ্থইষ্ট ২০২৪ শীৰ্ষক অনুষ্ঠানত অংশগ্ৰহণ কৰে। ড'নাৰ মন্ত্ৰালয়ৰ সহযোগত কৃষি আৰু গ্ৰামোন্নয়ন কেন্দ্ৰই আয়োজন কৰা এই কাৰ্যসূচীৰ জৰিয়তে বিভিন্ন ক্ষেত্ৰৰ কৰ্ণধাৰসকলে একেখন মঞ্চতে তেওঁলোকৰ উদ্ভাৱন, প্ৰযুক্তি তথা কামকাজসমূহ প্ৰদৰ্শন কৰাৰ সুযোগ পাব। মন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰি কৃষক তথা যুৱচামৰ সৈতে মত বিনিময় কৰে। কৃষি আৰু গ্ৰামোন্নয়ন কেন্দ্ৰই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ কৃষি আৰু উদ্যোগৰ সৈতে জড়িত লোকসকলক উপকৃত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ বিষয়ে তেওঁ উল্লেখ কৰে।

ooooo

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু শোণিতপুৰ জিলা প্ৰশাসনৰ সহযোগত কাইলৈ ঢেকিয়াজুলিত শ্বহিদ স্মাৰক উদ্যানৰ সন্মিলন কেন্দ্ৰ আৰু প্ৰতিমুৰ্তি উদ্বোধন কৰা হব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে। জাতীয়তাবাদ আৰু দেশপ্ৰেমক প্ৰতিফলিত কৰা বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিবলগীয়া কাইলৈৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগতে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰা আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংহালো উপস্থিত থাকিব বুলি জানিব পৰা গৈছে।

ooooo

পোষণ মাহ উপলক্ষে বঙাইগাঁও জিলাৰ মহিলা আৰু শিশুকল্যাণ বিভাগৰ উদ্যোগত আজি বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি এখন সজাগতামূলক সভা অনুষ্ঠিত কৰা হয়। সভাত অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে কয় যে, এই কাৰ্যসূচীৰ জৰিয়তে কিশোৰীসকলক স্বাস্থ্যৰ যতন লোৱাৰ ক্ষেত্ৰত সজাগতা বৃদ্ধি কৰা হৈছে। সভাত মহিলাসকলৰ ৰক্তহীনতাৰ কাৰণ তথা প্ৰতিকাৰৰ বিষয়েও আলোচনা

কৰা হয়। তদুপৰি জিলা কৃষি বিষয়াই সমাৱেত লোকসকলক মিলেটৰ পুষ্টি গুণ সন্দৰ্ভতো সজাগ কৰাৰ প্ৰচেষ্টা কৰে।

০০০০০

বি টি আৰৰ প্ৰধান প্ৰমোদ বড়োৱে আজি বি পি এফ আৰু ইউ পি পি এলৰ মাজত মিত্ৰতাৰ প্ৰক্ৰিয়া চলি আছে বুলি প্ৰকাশ কৰে। চিৰাং জিলাৰ ছিদলীত আজি তেওঁ বীৰ চিলাৰায় স্মৃতিত এটি ভৱন তথা সাংস্কৃতিক গৱেষণা কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানৰ ভাষণ প্ৰসংগত বড়োৱে এই কথা উল্লেখ কৰে। বি টি আৰ চুক্তিৰ পাছত ইউ পি পি এল নেতৃত্বাধীন পৰিষদীয় চৰকাৰখনে বি টি আৰত বসবাস কৰা ২৩টা জনগোষ্ঠীৰ উন্নয়নৰ বাবে কাম কৰি আহিছে বুলি তেওঁ প্ৰকাশ কৰে। কোচ ৰাজবংশী জনগোষ্ঠীৰ বাবে বহু আঁচনি গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে, এনে আঁচনিৰ অংশ হিচাপে চিলাৰায় ভৱন তথা সাংস্কৃতিক গৱেষণা কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰা হৈছে।

০০০০০

ৰাজ্যত বৰ্ধিত তাপমাত্ৰা তথা উৎকট গৰমৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে কামৰূপ মহানগৰ জিলাৰ সকলো ব্যক্তিগত, চৰকাৰী তথা কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিদ্যালয়লৈ পাঠদানৰ সময়সূচীৰ সালসলনিৰ নিৰ্দেশ দিছে। এই নিৰ্দেশনা অনুসৰি বিদ্যালয়ৰ শ্ৰেণীসমূহ পুৱা চাৰে সাত বজাৰ পৰা আৰম্ভ কৰিবলৈ অনুমতি দিয়া হোৱাৰ লগতে দিনৰ চাৰে ১২ বজাত বিদ্যালয় ছুটী দিবলৈ কোৱা হৈছে। তদুপৰি সকলো শিক্ষানুষ্ঠানকে ৰাতিপুৱাৰ প্ৰাৰ্থনাসভা শ্ৰেণীকোঠাৰ ভিতৰত অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। বিদ্যালয়ৰ প্ৰাংগনত উপযুক্ত খোৱাপানীৰ ব্যৱস্থা কৰাৰ লগতে অন্যান্য সা-সুবিধাসমূহ সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

শোণিতপুৰ জিলাৰো বিদ্যালয়সমূহৰ সময়সূচী সলনি কৰাৰ বাবে জিলা আয়ুক্তৰ কাৰ্যালয়ে আজি নিৰ্দেশ জাৰি কৰে। এই নিৰ্দেশনা অনুসৰি নিম্ন প্ৰাথমিক বিদ্যালয়সমূহৰ পাঠদান পুৱা চাৰে সাত বজাৰ পৰা দিনৰ ১২ বজালৈ অনুষ্ঠিত কৰিবলৈ কোৱা হৈছে। আনহাতে মাধ্যমিক তথা উচ্চ প্ৰাথমিক বিদ্যালয়ৰ শ্ৰেণীসমূহ একে সময়তে আৰম্ভ হৈ দিনৰ চাৰে ১২ বজাত শেষ হ'ব। ইপিনে উচ্চ মাধ্যমিক বিদ্যালয়সমূহৰ পাঠদান এক বজাত শেষ হ'ব।

০০০০০

কণ্ঠশিল্পী, সুৰকাৰ, গীতিকাৰ তথা সংগীত পৰিচালক জয়ন্ত হাজৰিকাৰ ৮১ সংখ্যক জন্মদিনৰ লগত সংগতি ৰাখি আজি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। গুৱাহাটীৰ চানমাৰিৰ জয়ন্ত হাজৰিকাৰ প্ৰতিমুৰ্তিস্থলীত আয়োজন কৰা অনুষ্ঠানত ৰাজ্য চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ সঞ্চালক, চৰকাৰী বিষয়া তথা বহুকেইজন জ্যেষ্ঠ শিল্পীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত শিল্পীগৰাকীক স্মৰণ, পুস্পাঞ্জলি তৰ্পন আদিৰ লগতে তেখেতৰ গীত পৰিবেশন কৰা হয়।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেবছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ ছেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন-পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

০০০০০

কাৰ্বি যুৱ মহোৎসৱৰ সোণালী জয়ন্তী বৰ্ষ উপলক্ষে কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ উদ্যোগত কাৰ্বি অধ্যয়ন কেন্দ্ৰ আৰু অসম বিশ্ববিদ্যালয় ডিফু চৌহদৰ সহযোগত ডিফুৰ আৰবোৰিটামত দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ আজি সামৰণি পৰে। কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে উদ্বোধন কৰা সন্মিলনত নৰোৱেৰ মাইকেল হেনিছ, আমেৰিকা যুক্তৰাষ্ট্ৰৰ উইলিয়াম ৰেষ্টাৰমেন, জাৰ্মানীৰ ছিমন ৰেইচিক, ইষ্টনিয়াৰ টাৰ্ট বিশ্ববিদ্যালয়ৰ মাৰ্গাৰেট লিংডো আৰু নৰোৱেৰ উচ্চ শিক্ষা গ্ৰহণ কৰি থকা কাৰ্বি আংলঙৰ থে আং তেৰণে সমল ব্যক্তি হিচাপে উপস্থিত থাকে। সন্মিলনত হায়দৰাবাদ বিশ্ববিদ্যালয়ৰ অধ্যাপক ৱাই এ সুধাকৰ ৰেড্ডীয়ে মূল বক্তা হিচাপে ভাষণ আগবঢ়ায়।

০০০০০

জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি নলবাৰী চিকিৎসা মহাবিদ্যালয় তথা চিকিৎসালয়ত শেহতীয়া সুবিধাৰে সমৃদ্ধ চিটিস্কেন যন্ত্ৰ মুকলি কৰে। তেওঁ কয় যে, ইয়াৰ জৰিয়তে অঞ্চলটোৰ স্বাস্থ্য সেৱা খণ্ডত এটা গুৰুত্বপূৰ্ণ অগ্ৰগতি হ'ব। স্থানীয় লোকসকলৰ উপৰি সমীপৰ অঞ্চলসমূহৰ ৰোগী তথা ৰোগীৰ পৰিয়াল এই শেহতীয়া চিকিৎসা সজুলীৰ জৰিয়তে উপকৃত হ'ব বুলি তেওঁ আশাপ্ৰকাশ কৰে।

00000

শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে আজি জনজাতি পৰিক্ৰমা বিভাগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত চিৰাঙৰ ছপাগুৰিত এটা জনজাতীয় জিৰনি গৃহ মুকলি কৰে। এই জিৰনি গৃহৰ জৰিয়তে জনজাতীয় সম্প্ৰদায় বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে চিৰাঙৰ অল্লাইগুৰি ইক' টুৰিজিম পাৰ্ক মুকলি কৰে। এই প্ৰকল্পতো দুই কোটি ৮৭ লাখতকৈও অধিক ধন ব্যয় সাপেক্ষে দুটা পৰ্যায়ত সম্পূৰ্ণ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে।

00000

গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত আজি সংযুক্ত মহাবিদ্যালয়সমূহৰ অধ্যক্ষৰ বৈঠক অনুষ্ঠিত হয়। গুৱাহাটী বিশ্ববিদ্যালয় তথা ইয়াৰ সংযুক্ত মহাবিদ্যালয়সমূহৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰাৰ উদ্দেশ্যে এই বৈঠকৰ আয়োজন কৰা হয়। বৈঠকত পৰীক্ষা ব্যৱস্থা, নতুন শিক্ষানীতি তথা স্বীকৃতি সন্দৰ্ভত আলোচনা কৰা হয়। দুই শতাধিক মহাবিদ্যালয়ৰ প্ৰায় ৬০০ গৰাকী প্ৰতিনিধি এই বৈঠকত উপস্থিত থাকে। বৈঠকত মহাবিদ্যালয় উন্নয়ন পৰিষদৰ সঞ্চালক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক তথা শৈক্ষিক পঞ্জীয়ক উপস্থিত থাকি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত মত প্ৰকাশ কৰে।

00000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত **মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ এশ দিন সম্পূৰ্ণ** সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অসম বিজেপিৰ মুখপাত্ৰ ৰূপম গোস্বামী আৰু সাংবাদিক সঞ্জীৱ কলিতা সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

00000

দেশজুৰি চলি থকা স্বচ্ছতাই সেৱা অভিযানৰ লগত সংগতি ৰাখি আজি যোৰহাটতো স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ সহযোগত যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদত গছপুলি ৰোপণ কৰা হয়। অনুষ্ঠানত জিলাখনৰ সহকাৰী আয়ুক্ত, চক্ৰ বিষয়াসকল, কাৰ্যবাহী অভিযন্তা তথা অন্যান্য বিষয়া কৰ্মচাৰীসকল উপস্থিত থাকে।

00000

চুতীয়া জনগোষ্ঠীক জনজাতিকৰণ, চুতীয়া ৰজাৰ শাসনকালৰ কীৰ্তিচিহ্নসমূহৰ সংৰক্ষণৰ দাবীত আজি শিৱসাগৰত চুতীয়া ছাত্ৰ সন্থাই অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। সন্থাটোৰ শতাধিক কৰ্মীয়ে জনজাতিকৰণৰ নামত প্ৰতাৰণা বন্ধ কৰাৰ লগতে চুতীয়া ৰজাৰ শাসনকালৰ ঐতিহাসিক স্থানসমূহৰ সৌন্দৰ্য বৰ্ধন কৰা আদি বিষয়সমূহত গুৰুত্ব আৰোপ কৰিবলৈ দাবী জনায়।

00000

বাংগালুৰুৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত বাংলাদেশৰ বিৰুদ্ধে অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ দ্বিতীয় দিনাৰ দ্বিতীয় ইনিংছৰ অন্তত ভাৰত ৩০৮ ৰাণত আগবাঢ়ি আছে।

ভাৰতে আজি দ্বিতীয় দিনা কালি প্ৰথম ইনিংছৰ ৩৩৯ ৰাণৰ পৰা খেল আৰম্ভ কৰি আটাইকেইটা উইকেট হেৰুৱাই ৩৭৬ ৰান সংগ্ৰহ কৰে। বাংলাদেশে প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ১৪৯ ৰাণ সংগ্ৰহ কৰে। ভাৰতে আজি দ্বিতীয় ইনিংছত ৩ টা উইকেট হেৰুৱাই ৮১ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ শুভমন গীলে সৰ্বাধিক ৩৩ ৰাণ আৰু ৰিষভ পণ্টে ১২ ৰাণ  কৰি অপৰাজিত হৈ আছে।

00000

সমাপ্ত